**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-MAR-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

——————————————————

আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে প্ৰাৰ্থী বাছনি, প্ৰচাৰ, মনোনয়ন সংগ্ৰহ তথা দাখিলকে ধৰি বিভিন্ন তৎপৰতা অব্যাহত ৰাখিছে। ইয়াৰ লগতে কেইবাগৰাকীও প্ৰাৰ্থীয়ে অন্য ৰাজনৈতিক দলত আনুষ্ঠানিকভাৱে যোগ দিছে। শাসনাধিষ্ঠিত বিজেপিয়ে আজি পুৱাৰ ভিতৰত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে ঘোষণা কৰিছে। ৰাজ্যিক বিজেপিৰ জ্যেষ্ঠ নেতা ড° শৰ্মাৰ উপস্থিতিত কালি নিশা দলটোৰ সংসদীয় পৰিষদৰ বৈঠকত দলৰ ৮৯ গৰাকী প্ৰাৰ্থীৰ নাম কেন্দ্ৰীয় নেতৃত্বৰ সৈতে আলোচনা কৰি কালি নিশা চূড়ান্ত কৰা হৈছে বুলি জানিব পৰা গৈছে। নতুনকৈ দলটোত যোগদান কৰা জ্যেষ্ঠ নেতাসকলৰ উপস্থিতিত চূড়ান্ত প্ৰাৰ্থী তালিকাত যথেষ্ট সাল-সলনি কৰা হৈছে বুলিও জানিব পৰা গৈছে।

কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা তথা নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কালি আনুষ্ঠানিকভাৱে বিজেপিত যোগ দিয়ে। দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, ড° হিমন্ত বিশ্ব শৰ্মা, পবিত্ৰ মাৰ্ঘেৰিটা আৰু কামাখ্যা প্ৰসাদ তাছাৰ উপস্থিতিত শ্ৰীবৰদলৈয়ে দলটোত যোগ দিয়ে।

নেতাগৰাকীৰ দলত্যাগ দুৰ্ভাগ্যজনক যদিও ইয়াৰ ফলত দলৰ নিৰ্বাচনী কাম-কাজ কোনো কাৰণতে ক্ষতিগ্ৰস্ত বা প্ৰভাৱন্বিত নহয় বুলি প্ৰদেশ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে প্ৰকাশ কৰে।

ইপিনে বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে মনোনয়ন সংগ্ৰহ কৰাৰ লগতে প্ৰচাৰ অভিযানো আৰম্ভ কৰিছে। বৰপেটা জিলাৰ ৪টা বিধানসভা সমষ্টিৰ ভিতৰত মন্দিয়া সমষ্টিৰ বাবে কালি প্ৰথমখন মনোনয়ন এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে দাখিল কৰে।

দলীয় কৰ্মকৰ্তাসকলৰ সৈতে এলানি বৈঠকৰ পাছত বি পি এফৰ প্ৰাৰ্থী তালিকা আজি সন্ধিয়াৰ ভিতৰত প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে বুলি দলটোৰ জ্যেষ্ঠ নেতা আৰু বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে জানিবলৈ দিছে।

**বাইট**

০০০০০০

বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন জিলাত প্ৰশাসনে কঠোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। **যোৰহাট** জিলাত নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈ থকা সময়ছোৱাত ধনৰ অবৈধ লেনদেন, সুৰাৰ প্ৰচলন ৰোধ কৰাকে ধৰি কেইবাটাও কাৰ্যকৰী ব্যৱস্থা প্ৰশাসনে গ্ৰহণ কৰিছে। যোৰহাট নিৰ্বাচনী জিলাৰ ৪টা বিধানসভা সমষ্টি- টীয়ক, মৰিয়নি, তিতাবৰ আৰু যোৰহাটত স্থায়ী নিৰীক্ষণকাৰী দল আৰু ফ্লাযিং স্কোৱাডে ২৪ ঘণ্টাই তালাচী অব্যাহত ৰাখিছে। **শিৱসাগৰ** জিলাত জনসাধাৰণৰ শান্তি শৃংখলা আৰু নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দণ্ডাধীশে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনসুৰি অনুমতিবিহীনভাৱে আৰু আইন বিৰোধী উদ্দেশ্যৰে অনুষ্ঠানত ৫ জন বা ততোধিক ব্যক্তিৰ সমাৰেশ নিষিদ্ধ কৰা হৈছে। যিকোনো ব্যক্তি, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু কাৰ্যালয়ৰ পৰা বলপূৰ্বকভাৱে বৰঙণি সংগ্ৰহ নাইবা ভাবুকি প্ৰদানতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ইয়াৰ উপৰি অস্ত্ৰ-শস্ত্ৰ সৰবৰাহ, ৰাজহুৱা সম্পত্তি ধ্বংস কৰা তথা ভাৰতীয় পুৰাতত্ব জৰীপ আৰু অসম চৰকাৰৰ প্ৰত্নতত্ব সঞ্চালকালয়ৰ কীৰ্তিচিহ্নসমূহ ২০০ মিটাৰ পৰিধিৰ ভিতৰত কোনো অকৰ্তৃশীল ব্যক্তি বা সংগঠনৰ প্ৰতিনিধিৰ

আহ-যাহ নিষিদ্ধ কৰা হৈছে। এই নিষেধাজ্ঞা উলংঘা কৰা ব্যক্তিৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ২২৩ নম্বৰ ধাৰাৰ অধীনত শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০০

নিৰ্বাচন আয়োগে সমাগত বিধানসভা নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে অসমসহ ৫ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত ২৫ লাখৰো অধিক বিষয়া-কৰ্মচাৰীক নিয়োগ কৰা হৈছে। প্ৰতি ৭০ গৰাকী ভোটদাতাৰ বিপৰীতে এগৰাকী নিৰ্বাচন কৰ্মী থাকিব পৰাকৈ এই ব্যৱস্থা কৰা হৈছে। এই কৰ্মীসকলৰ ভিতৰত এহেজাৰ ১১১ গৰাকী কেন্দ্ৰীয় পৰ্যবেক্ষক। তেওঁলোকৰ ভিতৰত ৫৫৭ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ১৮৮ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ৩৬৬ গৰাকী ব্যয় পৰ্যবেক্ষক আছে। নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে কালি এই ব্যয় পৰ্যবেক্ষকসকলক সংশ্লিষ্ট সমষ্টিসমূহত উপস্থিত হৈছে। তদুপৰি নিৰ্বাচনী দায়িত্ব অৰ্পণ কৰা কৰ্মচাৰীসকলৰ ভিতৰত ১৫ লাখ প'লিং বিষয়া, চাৰে ৮ লাখ নিৰাপত্তা বিষয়া আৰু ৪০ হাজাৰ জন গণনাকৰ্মী নিয়োগ কৰা হ'ব। ইয়াৰ লগতে ৪৯ হাজাৰ মাইক্ৰ' অবজাৰ্ভাৰ, ২১ হাজাৰ ছেক্টৰ বিষয়া আৰু অন্য বিষয়াৰ সৈতে ভোটগণনাৰ সময়ত অন্য ১৫ হাজাৰ গৰাকী মাইক্ৰ' অবজাৰ্ভাৰ থাকিব। নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰা মতে কেন্দ্ৰীয় পৰ্যবেক্ষকসকলৰ সৈতে প্ৰাৰ্থী বা ৰাজনৈতিক দলৰ প্ৰতিনিধিয়ে যোগাযোগ কৰিব পাৰিব। একেদৰে জনসাধাৰণেও নিৰ্বাচন সম্পৰ্কীয় ওজৰ-আপত্তি তেওঁলোকক দিব পাৰিব। ভোটদাতাসকলে ভোটগ্ৰহণ সম্পৰ্কীয় কোনো বিষয় সম্পৰ্কে জানিবৰ বাবে বুথ পৰ্যায়ৰ বিষয়াৰ সৈতে যোগাযোগ কৰিব পাৰিব। এতিয়ালৈকে ২ লাখ ১৮ হাজাৰ বুথ পৰ্যায়ৰ বিষয়াক নিযুক্তি দিয়া হৈছে। অসম, পশ্চিমবংগ, তামিলনাডু, পুডুচেৰী আৰু কেৰালামৰ ৮৩২টা বিধানসভা সমষ্টিত এইবাৰ ১৭ কোটি ৪০ লাখতকৈও অধিক ভোটদাতাই গণতান্ত্ৰিক ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰিব।

০০০০০০

**সমাপ্ত**